# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-08-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

---

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত ৰোগী ভৰ্তি হোৱাৰ সময়ত ১০ হাজাৰ টকা আগধন হিচাপে জমা দিয়াৰ ব্যৱস্থা প্ৰত্যাহাৰ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। কোকৰাঝাৰ জিলা ভ্ৰমণৰ সময়ত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত ডঃ শৰ্মাই এই পৰামৰ্শ আগবঢ়ায়। প্ৰতিষ্ঠানখনৰ মাচুল বৃদ্ধিৰ সিদ্ধান্তক লৈ কিছু ভুল বুজাবুজি হোৱা বুলি উল্লেখ কৰি ডঃ শৰ্মাই কয় যে বৰ্ধিত মাচুল জনসাধাৰণে দিব নালাগে, আয়ুষ্মান ভাৰত আৰু আয়ুষ্মান অসম কাৰ্ডত চৰকাৰে এই ধন জমা দিব। আজি মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত এই বিষয়ে স্পষ্ট কৰা হ'ব বুলি ডঃ শৰ্মাই জানিবলৈ দিয়ে।

ভি চি ডি চি সন্দৰ্ভত মত প্ৰকাশ কৰি ডঃ শৰ্মাই কয়, যে ভি চি ডি চিসমূহ মনোনীত নহয় নিৰ্বাচিত হ'ব লাগে। তেওঁ কয় যে নিৰ্বাচিত হ'লেহে ভি চি ডি চিসমূহত স্থানীয় লোক অন্তৰ্ভুক্ত হ'ব আৰু উন্নয়নৰ প্ৰক্ৰিয়াও ত্বৰান্বিত হ'ব। তেওঁ লগতে কয় যে ৰাজ্য চৰকাৰে ১২৫ নম্বৰ সংবিধান সংশোধনৰ প্ৰস্তাৱৰ জৰিয়তে ভি চি ডি চিসমূহৰ সংস্কাৰ সাধনৰ ব্যৱস্থা কৰিছে। সাংবাদিকৰ এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীগৰাকীয়ে ট্ৰাইবেল বেল্টৰ সৈতে আপোচ কৰা নহ'ব বুলি প্ৰকাশ কৰে।  ডঃ শৰ্মাই কয়, যে ৰাজ্যত কোনো ট্ৰাইবেল  বেল্ট ভাঙি দিয়া নহয়, বৰং ৬০০ খন নতুন ট্ৰাইবেল বেল্ট আৰু ব্লক গঠনৰহে প্ৰস্তাৱ দিয়া হৈছে। তেঁও কয় যে বিষয়টো লৈ অযথা বিতৰ্ক কৰা হৈছে। ৰাজ্য চৰকাৰে জনজাতি সম্প্ৰদায়ৰ উন্নয়নৰ বাবে অহৰ্নিশে কাম কৰি আছে বুলি ডঃ শৰ্মাই প্ৰকাশ কৰে।

ooooo

সমগ্ৰ দেশত পৰহিলৈ ৭৯ সংখ্যক স্বাধীনতা দিৱস উৎসাহ উদ্দীপনা আৰু দেশভক্তিৰ ভাৱনাৰে উদ্‌যাপন কৰা হ'ব। স্বাধীনতা দিৱসৰ প্ৰাক্‌ক্ষণত দেশৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণে হৰ ঘৰ তিৰংগা অভিযানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছে। এই অভিযানৰ অংশ হিচাপে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নিজৰ বাসগৃহত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে।

স্বাধীনতা দিৱস উপলক্ষে পৰহিলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ লালকিল্লাৰ প্ৰাচীৰৰ পৰা ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব আৰু এই উদযাপনত ৰাষ্ট্ৰক নেতৃত্ব দিব।

ooooo

স্বাধীনতা দিৱসলৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। আলফা স্বাধীনকে ধৰি কেইবাটাও উগ্ৰপন্থী সংগঠনে এইবাৰ স্বাধীনতা দিৱস বৰ্জনৰ আহ্বান জনোৱাৰ পাছত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। স্বাধীনতা দিৱসৰ সময়ছোৱাত যাতে উগ্ৰপন্থী সংগঠনসমূহে কোনো ধৰণৰ কূটাঘাটমূলক কাৰ্য সংঘটিত কৰিব নোৱাৰে তাৰ বাবে উজনি অসমৰ লগতে গুৱাহাটী মহানগৰী আৰু নামনি অসমৰ বিভিন্ন স্থানত আৰক্ষীয়ে কঠোৰ নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। প্ৰতিকূল বতৰৰ মাজতো স্বাধীনতা দিৱস উদযাপনৰ বাবে আৰক্ষী, অৰ্ধ-সামৰিক বাহিনী, গৃহৰক্ষী বাহিনীকে ধৰি স্কাউট গাইডৰ দলে প্ৰতিদিনে পেৰেডৰ অনুশীলন চলাই আছে।

স্বাধীনতা দিৱসৰ পৰিপ্ৰেক্ষিতত কাছাৰ জিলা প্ৰশাসনে সীমান্ত সুৰক্ষা আৰু আইন-শৃংখলা বজাই ৰাখিবলৈ ভাৰত-বাংলাদেশ সীমান্তত যাতায়ত আৰু কিছু পণ্যসামগ্ৰী পৰিবহণৰ ক্ষেত্ৰত পথৰ নিষেধাজ্ঞা আৰোপ কৰিছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই অনুসৰি জিলাখনৰ ভাৰত-বাংলাদেশ সীমান্তৰ ১ কিলোমিটাৰ এলেকাত সূৰ্যাস্তৰ পৰা সূৰ্য উদয়লৈকে কোনো লোকে আহ-যাহ কৰিব নোৱাৰিব। নিশাৰ ভাগত সুৰমা নদী আৰু ইয়াৰ ওখ পাৰত নাও চলাচলৰ বাধা আৰোপ কৰা হৈছে। মানকাচৰ-বাংলাদেশ সীমান্তৱৰ্তী বৰাইৰ আলগাতো আৰক্ষীয়ে ব্ৰহ্মপুত্ৰ নদীত নাৱেৰে সুৰক্ষা ব্যৱস্থাৰ ওপৰত চোকা দৃষ্টি ৰাখিছে।

স্বাধীনতা দিৱসৰ প্ৰতি লক্ষ্য ৰাখি গোৱালপাৰা জিলা আৰক্ষী প্ৰশাসনেও নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। আৰক্ষীয়ে স্থলপথৰ লগতে জলপথত দিনে-নিশাই তালাচী চলাই আছে। প্ৰতিটো পথত চেকিং চলোৱাৰ লগতে জলপথত যন্ত্ৰচালিত নাও আৰু স্পীড ব'টৰ সহায়ত পহৰা দিয়া পৰিলক্ষিত হৈছে। একেদৰে জিলাখনৰ অসম-মেঘালয় সীমান্তৰ স্পৰ্শকাতৰ এলেকাসমূহতো আৰক্ষীয়ে চোকা দৃষ্টি ৰাখিছে।

00000

যোৱা ২ আগষ্টৰ পৰা কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰা **হৰ ঘৰ তিৰংগা** অভিযানৰ অধীনত ৰাজ্যৰ বিভিন্ন জিলাত প্ৰশাসনে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত ৰাজ্য চৰকাৰৰ **হৰ ঘৰ তিৰংগা** কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ত্ৰিৰংগ সমলয় কাৰ্যসূচী, সমদল আদিৰ আয়োজন কৰিছে। গোৱালপাৰা জিলা প্ৰশাসনৰ উদ্যোগত আজি বিভিন্ন চৰকাৰী বিভাগত **হৰ ঘৰ তিৰংগা** কাৰ্যসূচী ৰূপায়ণ কৰা হয়। গোৱালপাৰা পৌৰসভাৰ উদ্যোগত আয়োজিত **হৰ ঘৰ তিৰংগা** কাৰ্যসূচীৰ লগত সংগতি ৰাখি গোৱালপাৰা নগৰৰ মাজেৰে ৰাষ্ট্ৰীয় পতাকা লৈ শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰা জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ খেলপথাৰত সামৰণি পৰে।

00000

ৰাজ্যিক কৰ বিভাগৰ এটা দলে আজি বৰপেটাৰ মন্দিয়াৰ এজন ব্যৱসায়ীৰ বিৰুদ্ধে সামগ্ৰী আৰু সেৱা কৰ ফাঁকি দিয়াৰ অভিযোগত অভিযান চলায়। আব্দুল বাৰেক নামৰ ব্যৱসায়ীজনৰ ব্যৱসায়িক প্ৰতিষ্ঠান আৰু গুদামত চলোৱা অভিযানত বৃহৎ পৰিমাণৰ কৰ ফাঁকি দিয়াৰ তথ্য গুৱাহাটী আৰু বৰপেটাৰ অভিযানকাৰী দলে নিশ্চিত কৰে। এইপৰ্যন্ত লাভ কৰা তথ্য অনুসৰি ব্যৱসায়ীজনে কমেও এক কোটি টকা কৰ ফাঁকি দিছে। এই পৰিমাণ অধিক হোৱাৰ সম্ভাৱনা আছে বুলি বৰপেটাৰ কৰ বিভাগৰ সহকাৰী কৰ আয়ুক্ত সুদীপ্ত সভাপণ্ডিতে জানিবলৈ দিয়ে।

00000

যোৱা নিশাৰে পৰা হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ওদালগুৰি জিলাৰ বিভিন্ন অঞ্চল বাঢ়নী পানীয়ে বুৰাই পেলোৱাত স্বাভাৱিক জীৱন যাত্ৰা বিঘ্নিত হৈছে। জিলাখনৰ গেলাবিল-মাজবাট সংযোগী পথটোৰ এটা অংশ বাঢ়নী পানীয়ে খহাই পেলোৱাত পথটোৰে যাতায়াত বিচ্ছিন্ন হৈছে।

প্ৰবল বৰষুণৰ ফলত গুৱাহাটী মহানগৰীৰ বিভিন্ন অঞ্চল জলমগ্ন হৈ পৰিছে। অনিল নগৰ, ৰুক্মিনীগাঁও, ৰাজগড় আদিকে ধৰি কেইবাটাও অঞ্চল কৃত্ৰিম বানৰ কবলত পৰিছে। গুৱাহাটী পৌৰ নিগমে পানী নিষ্কাষণৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

00000

সমাপ্ত